NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-05-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

0000000

১। লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ত দেশৰ ৭খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুঠ ৫৭ টা সমষ্টিত কাইলৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

২। ঘূৰ্ণীবতাহ ৰীমালৰ পাছত হোৱা প্ৰৱল বৰষুণৰ ফলত অসমৰ ৯ খন জিলা বানৰ কবলত পৰিছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, ত্ৰিপুৰা আৰু পশ্চিমবঙ্গত ৰীমাল ঘূৰ্ণীবতাহৰ ফলত হোৱা প্ৰাকৃতিক দুৰ্য্যোগৰ ঘটনাসমূহৰ সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰিছে।

৪। কেন্দ্ৰীয় স্বাস্থ্য সচিব অপূৰ্ব চন্দ্ৰাই ধঁপাতে জনস্বাস্থ্যৰ প্ৰতি ভাবুকি কঢ়িয়াই আনে বুলি মন্তব্য কৰিছে।

*আৰু*

৫। ভাৰতৰ শ্বাট্‌লাৰ তৃষা জল্লী আৰু গায়ত্ৰী গোপীচান্দৰ যুটীটোৱে ছিংগাপুৰ বেডমিণ্টন অ'পেন-২০২৪ প্ৰতিযোগিতাৰ মহিলাৰ ডাবলছ শাখাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

0000000

লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ত দেশৰ ৭খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুঠ ৫৭ টা সমষ্টিত কাইলৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। এই পৰ্যায়ত উত্তৰ প্ৰদেশ আৰু পঞ্জাবৰ ১৩ খনকৈ, পশ্চিমবংগৰ ৯ খন, বিহাৰৰ ৮ খন, ওড়িশাৰ ছখন, হিমাচল প্ৰদেশৰ ৪ খন, ঝাৰখণ্ডৰ ৩খন আৰু চণ্ডীগড়ৰ এখন সংসদীয় আসনৰ বাবে প্ৰতিদ্বন্দ্বিতা হ'ব। কাইলৈ পুৱা ৭ বজাত ভোটগ্ৰহণ আৰম্ভ হ'ব। অন্তিম পৰ্যায়ত মুঠ ৯০৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। কাইলৈ ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'বলগীয়া প্ৰাৰ্থীসকলৰ ভিতৰত আছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ ঠাকুৰ, ৰবিশংকৰ প্ৰসাদ, অভিনেত্ৰী কংগনা ৰাণাৱট, তৃণমূল কংগ্ৰেছৰ নেতা অভিষেক বেনাৰ্জী, পঞ্জাবৰ পূৰ্বৰ মুখ্যমন্ত্ৰী তথা কংগ্ৰেছ নেতা চৰণজিৎ সিং চান্নী, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী হৰছিমৰাৎ কৌৰ বাদল, আৰ জে দি নেতা লালুপ্ৰসাদ যাদৱৰ কন্যা মিছা ভাৰতী, কংগ্ৰেছ নেতা মণীষ তিৱাৰী, বিক্ৰমাদিত্য সিং আদি।

সংশ্লিষ্ট অঞ্চলসমূহত স্বচ্ছ আৰু নিকা পদ্ধতিৰে ভোটগ্ৰহণ অনুষ্ঠিত হোৱাটো সুনিশ্চিত কৰিবলৈ নিৰ্বাচন আয়োগে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। জ্যেষ্ঠ নাগৰিক তথা দিব্যাংগসকলকে ধৰি প্ৰতিগৰাকী ভোটদাতাৰ ভোটদানৰ সুচলতা সুনিশ্চিত কৰাৰ বাবে বিশ্ৰামস্থলৰে পৰা আৰম্ভ কৰি খোৱাপানীৰ সু-ব্যৱস্থা, দিব্যাংগ লোকসকলৰ যাতায়াতৰ সুচলতাৰ বাবে ৰেম্প, অনাময় ব্যৱস্থাকে ধৰি বিদ্যুৎ যোগান আদি সকলো দিশতে আয়োগে গুৰুত্ব আৰোপ কৰিছে। ৰাজ্যিক মুখ্য নিৰ্বাচনী বিষয়া, জিলা নিৰ্বাচনী বিষয়া আৰু সংশ্লিষ্ট সকলোকে গ্ৰীষ্ম প্ৰৱাহৰ পৰিস্থিতিৰ মুখামুখি হোৱাৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। ভোটগ্ৰহণ হ'বলগীয়া অঞ্চলসমূহত উদ্ভৱ হ'ব পৰা যিকোনো অপ্ৰীতিকৰ পৰিস্থিতি এৰাই চলিবলৈ নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

০০০০০০০

অসমৰ ৫০ খন নিৰ্বাচনী জিলাত স্থাপিত ৫২ টা ভোটগণনা কেন্দ্ৰত অহা ৪ জুনত হ'বলগীয়া ভোটগণনাৰ বাবে সকলো ধৰণৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। ভোটগ্ৰহণ কেন্দ্ৰসমূহত যাৱতীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে আজি গুৱাহাটীত এই কথা প্ৰকাশ কৰে। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে সংবাদ মাধ্যমক জানিবলৈ দিয়া মতে ৪ জুনৰ পুৱা ৮ বজাত আৰম্ভ হ'বলগীয়া ভোট গণনাৰ বাবে মুঠ ৫ হাজাৰ ৮২৩ গৰাকী বিষয়া-কৰ্মচাৰীক নিয়োগ কৰা হৈছে। ভোটগণনা স্বচ্ছ পদ্ধতিৰে সম্পন্ন কৰাটো নিশ্চিত কৰাৰ উদ্দেশ্যে নিৰ্বাচন আয়োগে ৬৪ গৰাকী সাধাৰণ পৰ্যবেক্ষকক নিযুক্তি দিছে বুলিও তেওঁ লগতে জানিবলৈ দিয়ে।

শ্ৰী গোৱেলে লগতে কয় যে মুঠ ৫২ টা ভোটগ্ৰহণ কেন্দ্ৰত এহেজাৰ ৯৪১ খন ভোটগণনাৰ মেজৰ ব্যৱস্থা কৰা হৈছে। আনহাতে, আজিৰ দিনটোলৈ ৰাজ্যৰ ১৪ গৰাকী ৰিটাৰ্নিং বিষয়াই ১ লাখ ২৮ হাজাৰ ২৯৯ খন ডাক-বেলট লাভ কৰিছে বুলি জানিবলৈ দি তেওঁ লগতে কয় যে যোৰহাট লোকসভা সমষ্টিত সৰ্বাধিক সংখ্যক ডাক বেলট লাভ কৰা হৈছে।

০০০০০০০

ঘূৰ্ণীবতাহ ৰীমালৰ পাছত হোৱা প্ৰৱল বৰষুণৰ ফলত অসমৰ ৯ খন জিলা বানৰ কবলত পৰিছে। কেইবাখনো নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ লগতে ঠায়ে ঠায়ে গৰাখহনীয়াৰ সৃষ্টি হৈছে। ৰাজ্যখনৰ নগাঁও, কৰিমগঞ্জ, হাইলাকান্দি, পশ্চিম কাৰ্বি আংলং, কাছাৰ, হোজাই, গোলাঘাট, ডিমা হাচাও আৰু কাৰ্বি আংলং জিলাৰ ৩৮৬ খন গাঁও জলমগ্ন হোৱাৰ লগতে বানৰ ফলত প্ৰায় দুই লাখ লোক ক্ষতিগ্ৰস্ত হৈছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই জানিবলৈ দিয়া অনুসৰি, ৰাজ্যখনৰ সাম্প্ৰতিক বানত এতিয়ালৈকে দুজন লোকৰ মৃত্যু হৈছে। ভূমিস্খলনৰ ফলত হাফলং আৰু বদৰপুৰৰ মাজত ৰে'ল সেৱা বাতিল কৰা হৈছে। ইতিমধ্যে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে গোৱালপাৰা, বঙাইগাঁও, শোণিতপুৰ, বিশ্বনাথ, ডিব্ৰুগড়, কৰিমগঞ্জ, কাছাৰ, হাইলাকান্দি, ডিমা হাচাও, ধুবুৰী আৰু দক্ষিণ শালমাৰা জিলাত ধুমুহা গাজনিৰ সৈতে প্ৰৱল বৰষুণ হ'ব পাৰে বুলি সতৰ্কতা জাৰি কৰিছে। বানৰ কবলত পৰা জিলাসমূহত বিভিন্ন সংস্থাসমূহে উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত ৰাখিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, ত্ৰিপুৰা আৰু পশ্চিমবঙ্গত ৰীমাল ঘূৰ্ণীবতাহৰ ফলত হোৱা প্ৰাকৃতিক দুৰ্যোগৰ ঘটনাসমূহৰ সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰিছে। আজি সামাজিক মাধ্যমৰ এটা বাৰ্তাৰ জৰিয়তে শ্ৰীমোদীয়ে প্ৰাকৃতিক দুৰ্যোগৰ দ্বাৰা প্ৰভাৱিত প্ৰতিগৰাকী ব্যক্তিৰ বাবে তেওঁ

যথেষ্ট চিন্তান্বিত বুলি প্ৰকাশ কৰে। বৰ্তমানৰ পৰিস্থিতি সন্দৰ্ভত সজাগ দৃষ্টি ৰখা বুলি মন্তব্য কৰি কেন্দ্ৰীয় চৰকাৰে প্ৰভাৱিত ৰাজ্যসমূহলৈ সকলো ধৰণৰ সহযোগিতা আগবঢ়াব বুলিও শ্ৰীমোদীয়ে লগতে কয়।

ooooooo

বিজেপিৰ জ্যেষ্ঠ নেতা আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি স্বামী বিবেকানন্দ স্মাৰক শিলাত ৪৫ ঘণ্টীয়া ধ্যানৰ দ্বিতীয় দিন। শ্ৰীমোদী কালি কন্যাকুমাৰীত উপস্থিত হয় আৰু ধ্যানত বহাৰ পূৰ্বে ভাগৱতী আম্মা মন্দিৰত সেৱা জনায়। শ্ৰীমোদীয়ে গেৰুৱা বস্ত্ৰ পৰিধান কৰি ধ্যানত বহা পৰিলক্ষিত হৈছে। ১৮৯২ চনত স্বামী বিবেকান্দই ধ্যান কৰা শিলাত ৭৩ বছৰীয়া নেতাগৰাকীয়ে ধ্যান কৰিছে। শ্ৰীমোদীয়ে আজি পুৱাৰ ভাগত সূৰ্য্যক অৰ্ঘ্য দিয়া পৰম্পৰাও পালন কৰে। ভাৰতৰ দক্ষিণ প্ৰান্তৰ বংগোপসাগৰ, আৰৱ সাগৰ আৰু ভাৰত মহাসাগৰৰ সংগমস্থল কন্যাকুমাৰী হৈছে এটা উল্লেখযোগ্য স্থান। ৩৩ বছৰ পূৰ্বে শ্ৰীমোদীয়ে ১৯৯১ চনৰ ১১ ডিচেম্বৰৰ পৰা কন্যাকুমাৰীৰ পৰা কাশ্মীৰলৈকে একতা যাত্ৰাত অংশগ্ৰহণ কৰিছিল।

ooooooo

কেন্দ্ৰীয় স্বাস্থ্য সচিব অপূৰ্ব চন্দ্ৰাই ধঁপাতে জনস্বাস্থ্যৰ প্ৰতি ভাবুকি কঢ়িয়াই আনে বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি বিশ্ব ধঁপাত বিৰোধী দিৱস উপলক্ষে আয়োজিত এটা অনুষ্ঠানত শ্ৰী চন্দ্ৰাই ভাৰতত ধঁপাত সেৱনৰ ফলত হোৱা বিভিন্ন ৰোগৰ ফলত বছৰি ১৩ লাখ লোক মৃত্যু মুখত পৰে বুলি প্ৰকাশ কৰে। ধঁপাত সেৱনৰ ফলত দেশৰ স্বাস্থ্য সেৱা ব্যৱস্থাত আৰ্থিক উন্নয়নত বাধাৰ সৃষ্টি কৰে বুলি প্ৰকাশ কৰে। তেওঁ লগতে কয় যে, চৰকাৰে দেশত ধঁপাতজাতীয় সামগ্ৰীৰ ব্যৱহাৰৰ বিৰুদ্ধে ধাৰাবাহিকভাৱে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে আৰু স্থানীয়, আঞ্চলিক, ৰাষ্ট্ৰীয় আৰু গোলকীয় পৰ্য্যায়ত এই জটিল বিষয়ৰ সমস্যাৰ সন্মুখীন হোৱাৰ বাবে বিভিন্ন প্ৰয়াস অব্যাহত ৰাখিছে।

তেওঁ লগতে কয় যে, ২০২৪ বৰ্ষত চৰকাৰে ধঁপাত নিয়ন্ত্ৰণৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ বাবে ৰাষ্ট্ৰীয় ধঁপাত নিয়ন্ত্ৰণ আইন COTPA- ২০০৩ কঠোৰভাৱে বলবৎ কৰাৰ লগতে ইয়াৰ বিৰুদ্ধে সজাগতা অভিযান চলোৱাৰ উপৰি ধঁপাতমুক্ত পৰিৱেশ সৃষ্টিৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে।

ooooooo

বেংগালুৰুৰ মুখ্য নগৰ আৰু সত্ৰ ন্যায়াধীশৰ এখন আদালতে কৰ্ণাটকৰ হাছানৰ জে ডি এছৰ সাংসদ প্ৰজ্বল ৰেৱান্নাক যৌন আতিশয্যৰ গোচৰত ছদিনৰ বাবে বিশেষ অনুসন্ধানকাৰী গোটৰ জিম্মালৈ প্ৰেৰণ কৰিছে। মিউনিখৰ পৰা কালি নিশা বেংগালুৰু আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত উপস্থিত হোৱাৰ পাছত সাংসদগৰাকীক যৌন আতিশয্যৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছিল। উল্লেখযোগ্য যে কিছুদিন পূৰ্বে সাংসদগৰাকীৰ বিতৰ্কিত ভিডিঅ' সামাজিক মাধ্যমত প্ৰচাৰিত হোৱাৰ পাছত বিশেষ অনুসন্ধানকাৰী গোট গঠন কৰা হয়। যোৱা ২৬ এপ্ৰিলত ৰেৱান্নাই বিদেশ অভিমুখে ৰাওনা হয়। ৰেৱান্নাই নিৰ্বাচিত জন প্ৰতিনিধিৰ বাবে নিৰ্ধাৰিত মুখ্য নগৰ আৰু সত্ৰ ন্যায়াধীশৰ আদালতত অন্তৰ্ৱৰ্তীকালীন জামিনৰ বাবে আবেদন জনাইছিল আৰু আজি এই আবেদনৰ শুনানি গ্ৰহণ কৰা হয়।

ooooooo

আকাশবাণী গুৱাহাটী আঞ্চলিক বাতৰি বিভাগে অহা ৪ জুনত লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ দিনা **জনাদেশ-২০২৪** শীৰ্ষক দিনজোৰা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত কেইবাগৰাকীও বিশ্লেষক আৰু সমল ব্যক্তিৰ উপস্থিতত ভোটগণনাৰ শেহতীয়া তথ্য সম্পৰ্কে আলোচনা কৰাৰ লগতে দেশ আৰু ৰাজ্যৰ বিভিন্ন সমষ্টিৰ পৰা আকাশবাণীৰ সংবাদদাতাৰ সৈতে সংযোগ স্থাপন কৰি পোনপটীয়াকৈ ভোটগণনাৰ শেহতীয়া তথ্য

প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো পুৱা ৯ বাজি ১৫ মিনিটৰ পৰা অব্যাহত থাকিব। এই অনুষ্ঠানটো NEWS ON AIR এপ, আমাৰ ইউটিউব চেনেল AIR NEWS GUWAHATI আৰু X হেণ্ডেল @AIRNEWS_GHY যোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

০০০০০০০

চলিত বিত্তীয় বৰ্ষত দেশৰ প্ৰকৃত মুঠ ঘৰুৱা উৎপাদন ৮ দশমিক ২ শতাংশলৈ বৃদ্ধি পোৱাৰ ধাৰণা কৰা হৈছে। যোৱাটো বিত্তীয় বৰ্ষত মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিৰ হাৰ ৭ শতাংশ হৈছিল। পৰিসংখ্যা আৰু কাৰ্য্যসূচী ৰূপায়ণ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি, ২০২৩-২৪ বৰ্ষত মুঠ প্ৰকৃত ঘৰুৱা উৎপাদনে ১৭৩ লাখ কোটি টকা অতিক্ৰম কৰিব বুলি অনুমান কৰা হৈছে।

০০০০০০০

ভাৰতৰ শ্বাট্লাৰ তৃষা জল্লী আৰু গায়ত্ৰী গোপীচান্দৰ যুটীটোৱে ছিংগাপুৰ বেডমিণ্টন অ'পেন-২০২৪ প্ৰতিযোগিতাৰ মহিলাৰ ডাবলছ্ শাখাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। তৃষা আৰু গায়ত্ৰীয়ে আজি অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত দক্ষিণ কোৰিয়াৰ কিম চো ইয়ং আৰু কং হী য়ঙৰ যুটীটোক ১৮-২১, ২১-১৯, ২৪-২২ গেমত পৰাস্ত কৰে। প্ৰথমটো গেম ১৮-২১ত হৰাৰ পাছত ভাৰতীয় শ্বাট্লাৰ যুটীটোৱে শক্তিশালী প্ৰদৰ্শনেৰে পৰৱৰ্তী দুয়োটা গেমতে জয়লাভ কৰি ছেমি ফাইনেলত নিজৰ স্থান নিশ্চিত কৰে। কাইলৈ হ'বলগীয়া ছেমি ফাইনেলত তৃষা আৰু গায়ত্ৰী জাপানৰ নামি মাটছুয়ামা আৰু চিহাৰু চিদাৰ যুটীটোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

সমাপ্ত